# NSD NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 22-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশৰ ২৪০ মেগাৱাট শক্তিসম্পন্ন হেঅ' জলবিদ্যুৎ প্ৰকল্প আৰু ১৮৬ মেগাৱাট শক্তিসম্পন্ন টাটো জলবিদ্যুৎ প্ৰকল্পৰ প্ৰথমটো গোটৰ আধাৰশিলা স্থাপন কৰে।

২। নৱৰাত্ৰিৰ প্ৰথম দিনা আজি কেন্দ্ৰীয় চৰকাৰে নতুনকৈ দেশৰ ২৫ লাখ যোগ্য পৰিয়ালক প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ সুবিধা আগবঢ়াব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। ভাৰত আৰু মৰক্কোৰ মাজত প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয়।

৪। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সামগ্ৰী আৰু সেৱা কৰৰ সংস্কাৰে দেশৰ অৰ্থনৈতিক বিকাশত নতুন গতি প্ৰদান কৰিব বুলি উল্লেখ কৰিছে। ***আৰু***

৫। শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে অসম আৰক্ষীৰ এটা দল ছিংগাপুৰলৈ যাব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশৰ ২৪০ মেগাৱাট শক্তিসম্পন্ন হেঅ' জলবিদ্যুৎ প্ৰকল্প আৰু ১৮৬ মেগাৱাট শক্তিসম্পন্ন টাটো জলবিদ্যুৎ প্ৰকল্পৰ প্ৰথমটো গোটৰ আধাৰশিলা স্থাপন কৰে। ৰাষ্ট্ৰীয় তাপবিদ্যুৎ নিগমৰ অধীনত ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ এই দুয়োটা প্ৰকল্প উত্তৰ পূব বিদ্যুৎ শক্তি নিগম চমুকৈ নিপকো আৰু অৰুণাচল প্ৰদেশ চৰকাৰৰ যৌথ উদ্যোগত নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে ৰাজ্যখনৰ চি অ'মি জিলাৰ চিঅ'মত নিৰ্মাণ কৰিবলগীয়া হেঅ' জলবিদ্যুৎ প্ৰকল্পত ৮০ মেগাৱাটকৈ শক্তিৰ ৩ টা উৎপাদন গোট থাকিব। টাটো জলবিদ্যুৎ প্ৰকল্পত ৩ টাকৈ ৬২ মেগাৱাট শক্তি উৎপাদনক্ষম গোট থাকিব। এই উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰত এখন বিকশিত ৰাষ্ট্ৰত পৰিণত হোৱাৰ ক্ষেত্ৰত সকলো ৰাজ্যৰ অৰিহণা গুৰুত্বপূৰ্ণ হ'ব। শক্তিখণ্ডত ২০৩০ চনৰ ভিতৰত ভাৰতে ৫০০ গিগাৱাট শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা লেখতলবলগীয়া হব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। আজিৰ এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল জেনেৰেল কে টি পাৰনায়ক, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

ইয়াৰ পাছত তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে আৰু ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

অৰুণাচল প্ৰদেশৰ পৰা প্ৰধানমন্ত্ৰী আজি ত্ৰিপুৰালৈ যায় আৰু ত্ৰিপুৰাত **প্ৰাসাদ** আঁচনিৰ অধীনত মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰৰ চৌহদত নতুনকৈ গঢ়ি তোলা বুনিয়াদী সা-সুবিধা আৰু সৌন্দৰ্যবৰ্ধন কাৰ্য মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে

মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰত পূজা আগবঢ়োৱাৰ লগতে মন্দিৰ চৌহদত আয়োজন কৰা এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশৰ ইটানগৰৰ স্থানীয় ব্যৱসায় আৰু উদ্যোক্তাসকলৰ লগত মত বিনিময় কৰে। শ্ৰীমোদীয়ে ইটানগৰৰ ব্যৱসায়ীসকলে সুগন্ধী চাহ, বিভিন্ন আচাৰ, হালধি, বেকাৰী সামগ্ৰী আৰু হস্তশিল্প আদিৰ ভিন্ন প্ৰকাৰৰ সামগ্ৰী প্ৰদৰ্শন কৰে বুলি সামাজিক মাধ্যমৰ এটা পোষ্টত উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ব্যৱসায়ীসকলে জি এছ্ টিৰ সংস্কাৰ আৰু জি এছ্ টিৰ বচট উৎসৱৰ বাবে শলাগ লয়। তেওঁ লগতে এই পদক্ষেপসমূহে মীন, কৃষি আৰু অন্যান্য স্থানীয় উদ্যোগসমূহক কেনেদৰে লাভান্বিত কৰিব সেই বিষয়েও আলোকপাত কৰে।

০০০০

নৱৰাত্ৰিৰ প্ৰথম দিনা আজি কেন্দ্ৰীয় চৰকাৰে নতুনকৈ দেশৰ ২৫ লাখ যোগ্য পৰিয়ালক প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ সুবিধা আগবঢ়াব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ মাতৃ আৰু ভগ্নীসকলক এই সুবিধা লাভ কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে চৰকাৰৰ এই পদক্ষেপে পবিত্ৰ নৱৰাত্ৰি উৎসৱৰ সময়ত তেওঁলোকলৈ আনন্দৰ বাৰ্তা কঢ়িয়াই অনাই নহয় মহিলা সৱলীকৰণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই নতুন সামগ্ৰী আৰু সেৱা কৰ সংস্কাৰে সমগ্ৰ দেশৰ জনসাধাৰণক লাভান্বিত কৰিব বুলি উল্লেখ কৰিছে। নতুন দিল্লীত আজি ব্যৱসায়ীসকলৰ সৈতে হোৱা কথা বতৰাত শ্ৰীনাড্ডাই দেশক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে বিপনীৰ স্বত্তাধিকাৰীসকলক তেওঁলোকৰ বিপনীত স্বদেশী সা-সামগ্ৰী বিক্ৰী কৰাত অগ্ৰাধিকাৰ দিয়াৰ বাবে আহ্বান জনায়। ক্ষুদ্ৰ ব্যৱসায়ীসকলক সমৰ্থন আগবঢ়োৱা আৰু ব্যৱসায়ীক সূচলতা বৃদ্ধিয়ে এই সংস্কাৰৰ মূল লক্ষ্য।

০০০০

মৰক্কোৰ ৰবাটত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু মৰক্কোৰ প্ৰতিৰক্ষা মন্ত্ৰী আব্দুল লতিফ লোদিয়িৰ মাজত অনুষ্ঠিত  দ্বিপাক্ষিক বৈঠকৰ সময়ছোৱাত প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত এখন চুক্তি স্বাক্ষৰিত হয়। শ্ৰীসিঙে কয় যে উভয় দেশে সন্ত্ৰাসবাদ বিৰোধী, সামুদ্ৰিক সুৰক্ষা, চাইবাৰ ক্ৰাইম সুৰক্ষা, শান্তি, সেনাৰ চিকিৎসা, প্ৰশিক্ষণ আৰু উদ্যোগিক অংশীদাৰীত্বৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰা বিষয়ত সহমত প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ দুদিনীয়া ভ্ৰমণসূচীৰে মৰক্কো ভ্ৰমণৰ সময়চোৱাত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সামগ্ৰী আৰু সেৱা কৰৰ সংস্কাৰে দেশৰ অৰ্থনৈতিক বিকাশত নতুন গতি প্ৰদান কৰিব বুলি উল্লেখ কৰিছে। নতুন দিল্লীত আজি দলৰ মুখ্য কাৰ্যালয়ত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে দেশৰ জনসাধাৰণৰ ক্ৰয় ক্ষমতা বাঢ়িব আৰু ইয়াৰ বাবে মুঠ ঘৰুৱা উৎপাদন প্ৰায় ২০ লাখ কোটি টকা বৃদ্ধি পাব। তেওঁ কয়, যে দেশৰ জনগণে চৰকাৰৰ এই সিদ্ধান্তত সন্তোষ প্ৰকাশ কৰিছে।

কিয়নো এতিয়াৰে পৰা দৈনন্দিন প্ৰয়োজনৰ প্ৰায়বোৰ সামগ্ৰীৰ মূল্য হ্ৰাস হোৱাৰ ফলত তেওঁলোকৰ আয়ৰ এটা বৃহৎ অংশ ৰাহি হ'ব। শ্ৰীবৈষ্ণৱে কয় যে সামগ্ৰী আৰু সেৱা কৰৰ সংস্কাৰ সাধন কৰাৰ বাবে বিৰোধী পক্ষ সুখী নহয়। তেওঁ অভিযোগ কৰে যে ইউ পি এ চৰকাৰৰ শাসনৰ সময়ছোৱাত কেৱলমাত্ৰ প্ৰতিশ্ৰুতিহে দিয়া হৈছিল। বাস্তৱত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাছিল। তেওঁ লগতে কয় যে ইউ পি এ চৰকাৰৰ সময়ত চিমেণ্টৰ ওপৰত আৰোপ কৰা ৩০ শতাংশ হাৰৰ কৰ এতিয়া ১৮ শতাংশলৈ হ্ৰাস পাইছে। শ্ৰীবৈষ্ণৱে কয়, যে ইউ পি এ চৰকাৰে চেনিটেৰী পেডৰ ওপৰত আৰোপ কৰা ১৩ শতাংশ কৰ এতিয়া সম্পূৰ্ণৰূপে উঠাই দিয়া হৈছে।

০০০০

অসম চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণৰ বিপুল দাবীৰ পৰিপ্ৰেক্ষিতত আদৰৰ শিল্পী জুবিন গাৰ্গৰ পুনৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছু সময়ৰ পূৰ্বে এখন সংবাদমেল যোগে এই বিষয়ে নিশ্চিত কৰে। তেওঁ কয়, যে ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছে যদিও ৰাইজে সমগ্ৰ ঘটনাটোক লৈ সন্দেহ প্ৰকাশ কৰাৰ লগতে বাৰম্বাৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে দাবী উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বাধ্য হৈ এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কাইলৈ শেষকৃত্য সময়ৰ কিছু সালসলনি হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে পুৱা চাৰে ৭ বজাত এইমছৰ বিশেষজ্ঞ চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰিব। ইয়াৰ আনুমানিক ডেৰ ঘণ্টামানৰ পাছত শিল্পীগৰাকীক সৰুসজাই ষ্টেডিয়ামলৈ লৈ যোৱা হ'ব। ইয়াৰ পাছতে শেষকৃত্যৰ বাবে সমদল উলিওৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত জুবিন গাৰ্গৰ পত্নীৰ বিষয়ে কোনো তথ্য বিহিনভাৱে আপত্তিজনক মন্তব্য কৰি থকা সকলক আইনে সহজভাৱে নল'ব বুলিও সকীয়াই দিয়ে। তেওঁ আৰক্ষী আৰু আইনৰ ওপৰত আস্থা ৰাখি চলিবলৈ আহ্বান জনায়। তেওঁ লগতে সামাজিক মাধ্যমত ঘটনাটোৰ সন্দৰ্ভত বিভ্ৰান্তিকৰ তথ্য বিয়পাই থকা সকলক আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত বিবৃতি দিবলৈও পৰামৰ্শ দিয়ে। অসম আৰক্ষীৰ দল তদন্তৰ বাবে ছিংগাপুৰলৈ গৈ ঘটনাস্থলীৰ চিচিটিভি ফুটেজ সংগ্ৰহ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান দিল্লীত আয়োজিত সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ অধীনত আয়োজিত স্বাস্থ্য পৰীক্ষা শিবিৰ নিৰীক্ষণ কৰে। তেওঁ কয়, যে ১৭ ছেপ্তেম্বৰৰ পৰা ২ অক্টোবৰলৈকে দিল্লীৰ লগতে সমগ্ৰ দেশতে স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে য'ত বিনামূলীয়াকৈ মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হৈছে। সেৱা পখেকৰ অধীনত গ্ৰহণ কৰা এই পদক্ষেপ মহিলাসকলৰ স্বাস্থ্য আৰু সবলীকৰণৰ বাবে অতি গুৰুত্বপূৰ্ণ। তেওঁ মহিলাসকলক শিবিৰলৈ আহি স্বাস্থ্য পৰীক্ষা কৰোৱাৰ আহ্বান জনায়।

০০০০

গৃহমন্ত্ৰালয়ে আজি নাগালেণ্ডৰ ৰাষ্ট্ৰীয় সমাজবাদী পৰিষদৰ লগতে ইয়াৰ সকলো ফৈদ আৰু শাখাসমূহক এই মাহৰ ২৮ তাৰিখৰ পৰা তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পাচ বছৰৰ বাবে অবৈধ সংগঠন হিচাপে ঘোষণা কৰে। এখন অধিসূচনাত মন্ত্ৰালয়ে প্ৰকাশ কৰে যে এই সংগঠনটো ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ ক্ষতিকাৰক কাৰ্যকলাপৰ সৈতে জড়িত আছিল। মন্ত্ৰালয়ে লগতে উল্লেখ কৰে যে এই সংগঠনটো ১৩ জন আৰক্ষী আৰু ৫১ জন নিৰাপত্তা বাহিনীৰ লোকক হত্যা কাৰ্যত জড়িত আছিল।

০০০০

জম্মু-কাশ্মীৰৰ জেনেৰেল অফিচাৰ কমাণ্ডিঙৰ ৰাইট লাইট গ্ৰুপৰ লেফটেনেণ্ট জেনেৰেল পি কে মিশ্ৰই আজি উধামপুৰ, দোকা আৰু কিষ্টৱাৰ জিলাত শেহতীয়াকৈ চলোৱা সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ পৰ্যালোচনা কৰে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই  জনোৱা অনুসৰি শুকুৰবাৰে বিয়লি সেউজ ধাৰ বনাঞ্চলত সন্ত্ৰাসবাদীৰ গুলিত এজন সেনাৰ মৃত্যু হোৱাৰ পিছৰে পৰা ব্যাপক অভিযান চলোৱা হৈছে। আনহাতে কাথুৱা জিলাৰ মালেহাৰ অঞ্চলতো সন্ত্ৰাসবাদীৰ সন্দেহজনক চলাচলৰ তথ্য লাভ কৰাৰে পৰা নিৰাপত্তা বাহিনীয়ে ব্যাপক তালাচী অভিযান চলাই আছে।

০০০০

সমাপ্ত